**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যসভাত পশ্চিম এছিয়াৰ চলিত সংঘাত আৰু এই ক্ষেত্ৰত ভাৰতৰ স্থিতি সন্দৰ্ভত বক্তব্য আগবঢ়াব।

২। বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে।

৩। এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে যৌথভাৱে আজিৰেপৰা পশ্চিম এছিয়ালৈ ২৪ খন নিয়মীয়া আৰু অনিয়মীয়া বিমান চলাচলৰ ব্যৱস্থা কৰিছে।

৪। আজি বিশ্ব যক্ষ্মা ৰোগ দিৱস। এই ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে প্ৰতি বছৰে ২৪ মাৰ্চত এই দিৱস পালন কৰি অহা হৈছে।

আৰু

৫। ওড়িশাৰ ভূৱনেশ্বৰত আজি প্ৰথম ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ্‌ চেম্পিয়ন শ্বিপছ্‌ আৰম্ভ হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যসভাত পশ্চিম এছিয়াৰ চলিত সংঘাত আৰু এই ক্ষেত্ৰত ভাৰতৰ স্থিতি সন্দৰ্ভত ব্যক্তব্য আগবঢ়াব। শ্ৰী মোদীয়ে কালি লোকসভাত পশ্চিম এছিয়াৰ পৰিস্থিতি আৰু প্ৰবাসী ভাৰতীয়সকলৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে লোৱা বিভিন্ন ব্যৱস্থাৰ বিষয়ে অৱগত কৰিছিল। লোকসভাৰ ব্যক্তব্যত তেওঁ সংঘাতৰ পৰিস্থিতিত ভাৰতৰ স্থিতি তথা কূটনৈতিক কাম-কাজ আঞ্চলিক স্থিৰতা আৰু এই সংঘাতে গোলকীয় শক্তিৰ লগতে বাণিজ্য পথসমূহত পেলোৱা প্ৰভাৱত আলোকপাত কৰিছিল। শ্ৰী মোদীয়ে কয়, যে ভাৰতে সদায় শান্তিৰ পক্ষত অৱস্থান গ্ৰহণ কৰি আহিছে। মধ্যপ্ৰাচ্যৰ সমস্যাৰ সমাধান আলোচনা আৰু কূটনীতিৰে সমাধান কৰাত ভাৰতে গুৰুত্ব দি আহিছে বুলিও তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে পেট্ৰ'ল, ডিজেল, গেছ্‌ আৰু সাৰৰ সৰবৰাহ সুস্থিৰ হৈ থকাটো নিশ্চিত কৰিবলৈ কাম কৰি আছে। তেওঁ লগতে কয়, যে পূৰ্বৰ ২৭ খন দেশৰ পৰা ৪১ খন দেশলৈ ভাৰতৰ শক্তি ৰপ্তানিৰ উৎস বৃদ্ধি হৈছে।

000000000

———অসমৰ বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ প্ৰায় ২৫ কিলোমিটাৰ জোৰা জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰাৰ পূৰ্বে গৰখীয়া গোসাঁই থানত সেৱা আগবঢ়ায়।

***(বাইট ঃ ড০ শৰ্মা)***

বিজেপিয়ে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ নিৰ্বাচনী প্ৰচাৰ অভিযান চলাব বুলি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, দলৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা থাকিব বুলি শ্ৰী শইকীয়াই প্ৰকাশ কৰে।

একেদৰে কংগ্ৰেছৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ জ্যেষ্ঠ নেতা ৰিপুন বৰাই কালি বৰছলাত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে ৰাইজৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। দেৱব্ৰত শইকীয়াই কালি নাজিৰাৰ পিয়লিফুকন পঞ্চায়তত নিৰ্বাচন উপলক্ষে দলীয় কৰ্মীসকলৰ সৈতে প্ৰচাৰ অভিযানত অংশ লয়। প্ৰচাৰৰ সময়ত তেওঁ ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যা সমূহৰ বিষয়ে বুজ লয়। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি সমষ্টিটোৰ

বিভিন্ন স্থানত প্ৰচাৰ চলায়। তেওঁ সমষ্টিটোৰ একাংশ সাধাৰণ লোকৰ সৈতেও মত বিনিময় কৰে। আনহাতে প্ৰদেশ কংগ্ৰেছৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভাগ ল'বলৈ সাংসদ ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী আৰু এ আই চি চিৰ সভাপতি অসমলৈ আহিব। কংগ্ৰেছৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এ আই চি চিৰ কেইবাজনো শীৰ্ষ নেতাই দলটোৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ লগতে ৰাহুল গান্ধীয়ে নিৰ্বাচনী ইস্তাহাৰ উন্মোচন কৰিব।

০০০০০০০০০

এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে যৌথভাৱে আজিৰেপৰা পশ্চিম এছিয়ালৈ ২৪ খন নিয়মীয়া আৰু অনিয়মীয়া বিমান চলাচলৰ ব্যৱস্থা কৰিছে। এটা বিবৃতিত কোৱা হৈছে যে জেদালৈ আৰু জেদাৰ পৰা নিয়মীয়া বিমান সেৱা অব্যাহত থাকিব। ভাৰত আৰু জেদাৰ মাজত মুঠ ১০ খন বিমান চলাচল কৰে। ইয়াৰ ভিতৰত দিল্লী আৰু মুম্বাইৰ পৰা এয়াৰ ইণ্ডিয়াৰ দুখন বিমান অহা-যোৱা কৰিব। আনহাতে, হায়দৰাবাদ আৰু কোজিকোডৰ পৰা এখনকৈ বিমান এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ অধীনত চলাচল কৰিব। এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ অধীনত ওমানৰ ৰাজধানী মাছকাটৰ পৰা আৰু মাছকাটলৈ দিল্লী-মুম্বাইৰ পৰা দুখন বিমান চলিব। বিবৃতিটোত লগতে কোৱা হৈছে যে দুয়োটা বিমান সংস্থাই সংযুক্ত আৰৱ-আমিৰ শ্বাহীলৈ নিয়মীয়া সেৱাৰ অতিৰিক্ত হিচাপে ১০ খন অনিয়মীয়া বিমানৰ ব্যৱস্থা কৰিছে।

০০০০০০০০০

আজি বিশ্ব যক্ষ্মা ৰোগ দিৱস। এই ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে বিশ্বৰ পৰা এই সংক্ৰামক ৰোগক নাইকিয়া কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ মাৰ্চত এই দিৱস পালন কৰি অহা হৈছে। ড° ৰবাৰ্ট কখে ১৮৮২ চনত যক্ষ্মা ৰোগৰ বেক্টেৰীয়া আৱিষ্কাৰ কৰিছিল আৰু তাৰ স্মৰণতে এই দিৱস পালন কৰি অহা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে যক্ষ্মা এতিয়াও সাধাৰণ লোকৰ স্বাস্থ্যৰ অন্যতম প্ৰধান প্ৰত্যাহ্বান হৈ আছে আৰু এই ৰোগত বিশ্বজুৰি লাখ লাখ লোক আক্ৰান্ত হৈ আহিছে। তেওঁ কয়, যে যক্ষ্মামুক্ত ভাৰত অভিযানৰ জৰিয়তে এই ৰোগৰ আগতীয়া পৰীক্ষা সম্পন্ন কৰাৰ লগতে বিনামূলীয়া চিকিৎসা, উপযুক্ত পৰিপুষ্টিৰ ব্যৱস্থা কৰা আৰু ৰোগীৰ যত্ন লোৱাৰ ক্ষেত্ৰত আশানুৰূপ অগ্ৰগতি লাভ কৰিব পৰা হৈছে।

০০০০০০০০০

দেশৰ সমবায় খণ্ডক শক্তিশালী কৰাৰ লক্ষ্যৰে বিগত পাঁচ বছৰত কেন্দ্ৰীয় চৰকাৰে পাঁচ লাখ কোটিৰো অধিক টকা ব্যয় কৰিছে। লোকসভাত এটা প্ৰশ্নৰ উত্তৰত আজি কেন্দ্ৰীয় সমবায় ৰাজ্যমন্ত্ৰী কিষাণ পাল গুৰ্জৰে এই তথ্য দিয়ে। তেওঁ কয়, যে ১৯৬৩ চনৰ পৰা ২০১৪ চনলৈকে ৫১ বছৰৰো অধিক সময়ত ৰাষ্ট্ৰীয় সমবায় বিকাশ সংস্থাই সমবায় খণ্ড শক্তিশালী কৰাৰ নামত মাত্ৰ ৫০ হাজাৰ কোটি টকাহে ব্যয় কৰিছিল। শ্ৰী পালে কয়, যে কৃষকৰ কল্যাণত মোদী চৰকাৰে সৰ্বাধিক গুৰুত্ব দিছে আৰু এই দৃষ্টিভংগীৰে প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১০ হাজাৰ কোটি টকাৰ পুঁজিৰে সমবায় খণ্ডৰ চেনিকলসমূহক শক্তিশালী কৰি তোলাৰ আঁচনি মুকলি কৰিছে।

বাইট (কিষাণ পাল)

০০০০০০০০০

দক্ষিণ আমেৰিকাৰ কলম্বিয়াৰ পুৱেৰ্টৰ্ লেগুইজাম'ত কালি এখন সামৰিক বাহিনীৰ বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ ৬৬ গৰাকী লোক নিহত হয়। জেনেৰেল হুগ আলেজেণ্ড্ৰো লোপেজ বাৰেটোৱে কয়, যে বিমানখনত ১২৮ গৰাকী ব্যক্তিৰ ভিতৰত ১১৫ গৰাকী সেনাবাহিনী, ১১ গৰাকী বিমান কৰ্মী আৰু দুগৰাকী আৰক্ষী আছিল। বাৰেটোৱে লগতে কয়, যে বৰ্তমানলৈকে ৫৭ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে আৰু ৪ গৰাকী সেনা জোৱান বৰ্তমানলৈকে সন্ধানহীন হৈ আছে। উল্লেখযোগ্য যে, কালি দুৰ্ঘটনাগ্ৰস্ত হোৱা বিমানখনে পুটুমায়োৰ আন এখন চহৰলৈ সেনা বাহিনী কঢ়িয়াই নিয়াৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। ইতিমধ্যে আহতসকলক ৰাজধানী বাগোটা আৰু অন্যান্য ঠাইৰ চিকিৎসালয়লৈ নিবলৈ ৭৪খন বিচনাযুক্ত দুখন বিমান ঘটনাস্থলীলৈ প্ৰেৰণ কৰিছে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৈছে, যে তেওঁ আমেৰিকাৰ যুদ্ধ বিভাগক ইৰানৰ প্ৰধান প্ৰধান শক্তি আৰু বিদ্যুৎ কেন্দ্ৰসমূহক আক্ৰমণৰ লক্ষ্য কৰি নল'বলৈ নিৰ্দেশ দিছে। হোৱাইট হাউছত শ্ৰী ট্ৰাম্পে কয়, যে দুয়োখন দেশৰ মাজত যোৱা দুদিনত হোৱা প্ৰাথমিক আলোচনাৰ ভিত্তিতে এই সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয়, যে এখন বহলভিত্তিক চুক্তিত উপনীত হ'বলৈ ইৰানৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আলোচনা ভালদৰে চলি আছে। ইফালে ইৰানৰ ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে প্ৰকাশ কৰিছে যে ৱাশ্বিংটনে ইৰানৰ সৈতে কোনোধৰণৰ প্ৰত্যক্ষ আলোচনাত মিলিত হোৱা নাই। এটা বিবৃতিত দেশখনৰ বিদেশ মন্ত্ৰালয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ বক্তব্যক অস্বীকাৰ কৰিছে।

ooooooooo

দক্ষিণ প্ৰশান্ত মহাসাগৰৰ টংগাৰ সমীপত আজি পুৱা ৭ দশমিক ৬ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। আমেৰিকাৰ ভূতাত্বিক জৰীপ বিভাগে জনোৱা অনুসৰি ভূগৰ্ভৰ প্ৰায় ২৩৭ কিলোমিটাৰ গভীৰতাত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। টংগাৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদ ব্যৱস্থাপনা কাৰ্যালয়ে দ্বীপ ৰাষ্ট্ৰখনৰ নিম্ন ভূমিত বসবাস কৰা লোকসকলক অন্য ঠাইলৈ যাবলৈ নিৰ্দেশ দিয়ে।

ooooooo

ওড়িশাৰ ভুৱনেশ্বৰত আজি প্ৰথম ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ চেম্পিয়ন শ্বিপছ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাই দেশৰ ক্ৰীড়া ইতিহাসত এটা নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। এই দুদিনীয়া ক্ৰীড়া প্ৰতিযোগিতাখনত জ্যেষ্ঠ আৰু ২০ বছৰ অনূৰ্ধ শিতানত ৯৭ গৰাকী মহিলাকে ধৰি মুঠ ২৭৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। দেশৰ ইনড'ৰ এথলেটিকছ ক্ষেত্ৰখনক শক্তিশালী কৰাৰ লগতে আগশাৰীৰ অন্য প্ৰতিযোগিতাসমূহ আৰম্ভ হোৱাৰ পূৰ্বে এই প্ৰতিযোগিতাই খেলুৱৈসকলক এখন মঞ্চ প্ৰদান কৰি উৎসাহিত কৰিব বুলি আয়োজকে আশা প্ৰকাশ কৰিছে। পুৰুষৰ ৩ হাজাৰ মিটাৰ দৌৰেৰে আজি প্ৰতিযোগিতাখনৰ আৰম্ভণি হ'ব।

oooooooo

সমাপ্ত